# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-12-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি বিশ্বনাথ, ডিব্ৰুগড় আৰু নগাঁও জিলাত ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীৰ মাজত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

**বৰপেটা** জিলাত এই উপলক্ষে অনুষ্ঠিত বিশেষ কাৰ্যসূচীত পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰে। অসমক ভাৰতৰ শ্ৰেষ্ঠ ৰাজ্যত অন্তৰ্ভুক্ত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত চৰকাৰে তেওঁলোকক যথাযুক্ত সহায় আগবঢ়াব বুলি কয়।

**নগাঁও** জিলাত অনুষ্ঠিত বিশেষ কাৰ্যসূচীত ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। নগাঁও চহৰৰ পানীগাঁও চাৰিআলিত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে বিভিন্ন হিতাধিকাৰীক মাইক্ৰ'ফাইনেন্সৰ ঋণ মুক্তিৰ প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে জিলাখনৰ বান ক্ষতিগ্ৰস্ত লোকক আৰ্থিক সাহায্যৰ চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। তদুপৰি মন্ত্ৰীগৰাকীয়ে আত্মসহায়ক গোটৰ দ্বাৰা পৰিচালিত বিভিন্ন ক্ষুদ্ৰ উদ্যোগসমূহক উদগণিমূলক সাহায্যৰ চেকো বিতৰণ কৰে।

ইফালে **লখিমপুৰত** আয়োজিত বিকাশৰ ১২ দিন কাৰ্যসূচীত মন্ত্ৰী ৰূপেশ গোৱালাই জিলাখনৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন আঁচনিৰ পুৰস্কাৰসমূহ বিতৰণ কৰে।

**বিশ্বনাথ** জিলাৰ কমলাকান্ত ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। বিভিন্ন আঁচনিৰ বঁটাসমূহ বিতৰণ কৰাৰ লগতে মন্ত্ৰী শ্ৰীসিংহলে জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। ডিব্ৰুগড় জিলাৰ মানকটা পূজা ফিল্ডত অনুষ্ঠিত বিকাশৰ ১২ দিন কাৰ্যসূচীত শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰে।

ooooo

ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠকত সভাপতিত্ব কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবৰ উন্নয়নত প্ৰভূত গুৰুত্ব প্ৰদান কৰা হৈছে। যোৱা ১০ বছৰ উত্তৰ-পূবৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি মন্তব্য কৰি শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে বিনিয়োগকাৰীসকলক উত্তৰ-পূবত বিনিয়োগ কৰিবলৈ অনুপ্ৰাণিত কৰিছে। অঞ্চলটোত শান্তি প্ৰতিষ্ঠাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰচেষ্টাসমূহৰ ফলত অঞ্চলটোত বিকাশৰ গতি ত্বৰান্বিত হৈছে বুলি কয়। উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থিক আৰু

সামাজিক প্ৰগতি দেশৰ অন্যান্য অঞ্চলসমূহৰ সমতূল্য কৰাতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ মূল উদ্দেশ্যসমূহৰ অন্যতম বুলি শ্ৰীশ্বাহে জানিবলৈ দিয়ে।

বৈঠকত অংশগ্ৰহণ কৰি উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই গৃহমন্ত্ৰী অমিত শ্বাহে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহে অঞ্চলটোত উগ্ৰবাদ হ্ৰাস কৰাত মুখ্য ভূমিকা লৈছে বুলি মত প্ৰকাশ কৰে। শ্ৰীসিন্ধিয়াই কয়, যে বিগত সময়ত অঞ্চলটোত উগ্ৰবাদী কাৰ্যকলাপ পূৰ্বৰ তুলনাত ৭১ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে এনে কাৰ্যকলাপত মৃত্যুৰ সংখ্যাও ৬০ শতাংশলৈ হ্ৰাস পাইছে।

০০০০০

পথ পৰিবহন আৰু ঘাইপথ বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অজয় টামটাই আজি নগাঁও জিলাত বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হৈ বিভাগীয় আঁচনিসমূহৰ কামকাজৰ অগ্ৰগতিৰ বুজ লয়। জিলাখনত ৰূপায়িত এম জি এনৰেগা, প্ৰধানমন্ত্ৰী আবাস যোজনা, অমৃত সৰোবৰকে ধৰি বিভিন্ন আচনি সমূহ সফলভাৱে ৰূপায়ণৰ বাবে শীৰ্ষ বিষয়াসকলক কঠোৰভাবে নিৰীক্ষণ কৰিবলৈ আহ্বান জনায়। তদুপৰি জনমুখী আঁচনিসমূহৰ সা-সুবিধা যাতে প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰে তাৰ ওপৰত গুৰুত্ব দিবলৈও তেওঁ আহ্বান জনায়। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়াৰ সংকল্পত সক্ৰিয়া অংশীদাৰ হ'বলৈ মন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনায়।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা জানুৱাৰী মাহত পক্ষী গণনা আৰম্ভ হ'ব। স্থায়ী জলচৰ আৰু পৰিভ্ৰমী পক্ষীৰ বিষয়ে তথ্য সংগ্ৰহ কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে এই গণনা কৰা হয়। উল্লেখযোগ্য যে, সম্প্ৰতি কাজিৰঙাৰ নদী, বিল, জলাশয়সমূহত ভালেমান পৰিভ্ৰমী পক্ষীৰ আগমন হৈছে। সেয়েহে এই গণনাত বিভিন্ন প্ৰজাতিৰ পক্ষীৰ বিষয়ে তথ্য লাভ কৰিব পৰা যাব বুলি উদ্যানখনৰ বন সংমণ্ডল বিষয়া অৰুণ ভিগনেছে প্ৰকাশ কৰিছে। উদ্যানখনৰ ছহলা, কাৰাছিং, ডোঙা, ৰৌমাৰী আদি অঞ্চলত পৰ্যটকে নিচেই ওচৰৰ পৰা পৰিভ্ৰমী পক্ষীৰ জাক দৃষ্টিনন্দন ৰূপত প্ৰত্যক্ষ কৰিছে। দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমী আৰু আলোকচিত্ৰ শিল্পীসকলেও পক্ষীৰ আলোকচিত্ৰ সংগ্ৰহৰ বাবে উদ্যানখনত উপস্থিত হৈছে।

০০০০০

ৰাজ্যখনলৈ অহা দেশী-বিদেশী পৰ্যটকসকলৰ সুবিধা হোৱাকৈ পৰ্যটক গৃহ বা হোম ষ্টে সমূহৰ বাবে মান সম্পন্ন বিধি যুগুত কৰিবলৈ পৰ্যটন বিভাগক বিভাগীয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে নিৰ্দেশ দিছে। তদুপৰি পৰ্যটন ক্ষেত্ৰত বৰ্তমানে ৰূপায়ণ হৈ থকা বিভিন্ন প্ৰকল্পৰ কাম বিভিন্ন সময়ত সম্পূৰ্ণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি দায়িত্ব গ্ৰহণ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে বিভাগৰ অধীনৰ পৰ্যটন সঞ্চালকালয় আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহৰ কামকাজ পৰ্যালোচনা কৰে। তেওঁ বিভাগীয় বিষয়াসকলক ৰাজ্যখনৰ পৰ্যটনক অধিক উজ্জীৱিত ৰূপত তুলি ধৰি অধিক সংখ্যক পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ কাম কৰি যাবলৈ আহ্বান জনায়। আজি পৰ্যটন সঞ্চালকালয়ত এই বৈঠকৰ পাছত মন্ত্ৰীগৰাকীয়ে পৰ্যটন সঞ্চালকালয় পৰিদৰ্শন কৰাৰ উপৰি অসম পৰ্যটন উন্নয়ন নিগমৰ কাৰ্যালয় পৰিদৰ্শন কৰে।

০০০০০

সদৌ অসম ক্ৰীড়া সাংবাদিক সন্থাই আয়োজন কৰা আন্তঃ সংবাদ প্ৰতিষ্ঠান ক্ৰীড়া সমাৰোহৰ আজি সামৰণি পৰে। আজি অন্তিম দিনা বঁটা বিতৰণী অনুষ্ঠানত বি চি চি আইৰ ভাৰপ্ৰাপ্ত সাধাৰণ সচিব দেৱজিৎ শইকীয়া, ক্ৰীড়া সঞ্চালক প্ৰদীপ টিমুং, অসম ক্ৰীড়া প্ৰাধীকৰণৰ উপাধ্যক্ষ লক্ষ্য কোঁৱৰ, জ্যেষ্ঠ সাংবাদিক সুবোধ মল্লবৰুৱা, পৱিত্ৰ গগৈ, সুশীম ঘোষৰ উপৰি আন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আজিৰ অনুষ্ঠানতে সন্থাই আয়োজন কৰা বেডমিণ্টন, ফুটবল, ক্ৰিকেট, টেবুলটেনিছ্ আৰু দবা প্ৰতিযোগতাৰ বিভিন্ন শাখাত বিজয়ী প্ৰতিযোগী আৰু সংবাদ গোষ্ঠীক বঁটা প্ৰদান কৰে। উল্লেখযোগ্য যে এইবাৰ বেডমিণ্টনৰ দলীয় শাখাত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মানস প্ৰতীম শৰ্মা আৰু মনদীপ মহন্ত চূড়ান্ত বিজয়ী হৈছে।  একেদৰে টেবুল টেনিছৰ মহিলা শাখাত আকাশবাণীৰ পল্লবীকা বৰুৱাই একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ অৰ্জন কৰে।

০০০০০

সমাপ্ত